# ॥ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ॥

প্ৰতিবেদনৰ আৰম্ভণিতে আদৰ্শৰ দাবানল জ্বলাই জননীৰ পূজাৰ বেদীত আত্মাহুতি দিয়া বীৰ-বীৰাঙ্গনা সকললৈ অশ্ৰু অঞ্জলি নিবেদিছোঁ।

যিসকল ছাত্ৰ-ছাত্ৰীয়ে আশা–ভাৰসাৰ প্ৰাণ-কেন্দ্ৰ স্বৰূপে বকো 'জৱাহৰলাল নেহৰু মহাবিদ্যালয়'ৰ নিচিনা এখনি মহান অনুষ্ঠানৰ ইং ১৯৮৫-৮৬ চনৰ বাবে ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ গুৰু দায়িত্ব বহন কৰিবলৈ সুযোগকণ দিলে, তেওঁলোকলৈ মোৰ মৰম, শ্ৰদ্ধা আৰু আন্তৰিক অভিবাদন জনাইছোঁ। 'Duty is beauty' এই কথাষাৰি সাৰোগত কৰি হেলাৰঙে দায়িত্ব ভাৰ চলাই নিবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাছিলোঁ। কিন্তু কিমান দূৰ সফলতাৰে পালন কৰিব পাৰিছোঁ সেয়া আপোনালোকৰ বিচাৰ্য।

**মহাবিদ্যালয় সপ্তাহ**—শিক্ষা ব্যৱস্থাত শিক্ষাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ মানসিক, শাৰীৰিক বিকাশ সাধনৰ বাবে 'মহাবিদ্যালয় সপ্তাহ' উদ্‌যাপন অপৰিহাৰ্য। এই বেলিও বিস্তৃত কাৰ্য্যসূচীৰে ইং ১৯৮৫-৮৬ চনৰ ১৮।২।৮৬ ইং তাৰিখৰ পৰা ২২।২।৮৬ ইং তাৰিখলৈ 'মহাবিদ্যালয় সপ্তাহ' উদ্‌যাপন কৰা হয়। 'মহাবিদ্যালয় সপ্তাহ'ৰ বঁটা বিতৰণী সভাখন ২৫।২।৮৬ ইং তাৰিখে পতা হয়। সভাত সভাপতিত্ব কৰে আমাৰ অধ্যক্ষ মহাশয়ে আৰু মুখ্য অতিথিৰ আসন-গ্ৰহণ কৰে বকো চক্ৰৰ উপপ্ৰতি সমাহৰ্তা শ্ৰীচন্দ্ৰ নাথ মজুমদাৰ মহোদয়ে। সভাত সমজুৱাৰ ফালৰ পৰা বকো হাইস্কুলৰ প্ৰাক্তন প্ৰধান শিক্ষক শ্ৰীঅচ্যুত কান্ত অধিকাৰীদেৱে ছাত্ৰ সকলক সাৰগৰ্ভ বক্তৃতাৰে উৎসাহিত কৰে আৰু সেইদিনা সভাৰ বিশেষ আকৰ্ষণ আছিল কামৰূপ জিলা ছাত্ৰ সন্থাৰ সভাপতি শ্ৰীহিতেশ ডেকাৰ উপস্থিতি আৰু তেজস্বী ভাষণ।

**নৱাগত আদৰণী সভা**—নৱাগত আদৰণী সভাখন এইবেলি ৬।১০।৮৬ ইং তাৰিখে আনুষ্ঠানিকভাৱে পতা হয়। সভাত বিশিষ্ট অতিথিৰ আসন গ্ৰহণ কৰি সভাৰ সৌষ্ঠৱ বঢ়ায় অসমৰ শিক্ষাবিভাগৰ শিক্ষাধিকৰ্তা ড° শৈলজানন্দ ভৰালীদেৱে। ড° ভৰালীদেৱৰ ভাষণ আমাৰ বাবে আদৰণীয় আৰু অনুকৰণীয় হৈ থাকিব।

**সৰস্বতী পূজা**- আন আন বছৰৰ দৰে এই–বেলিও আমাৰ মহাবিদ্যালয়ত অনুষ্টুপীয়াকৈ 'সৰস্বতী পূজা' উদ্‌যাপন কৰা হয়।

**মহাবিদ্যালয়ত বিজ্ঞান শাখা**—আমাৰ মহা-বিদ্যালয়ত এইবেলি উচ্চতৰ মাধ্যমিক শ্ৰেণীত বিজ্ঞান-শাখা কেইটামান বিষয়ত খোলা হয়। বিজ্ঞান শাখাৰ শ্ৰেণীৰ মুকলিয়ে বকো অঞ্চলৰ ছাত্ৰ-ছাত্ৰী তথা ৰাইজৰ এটা বহুদিনীয়া অভাৱ পূৰণ কৰিব। বিজ্ঞান শাখা আনুষ্ঠানিকভাৱে উদ্বোধন কৰে ৬।১০।৮৬ ইং তাৰিখে মাননীয় শিক্ষাধিকৰ্তা ড° শৈলজানন্দ ভৰালীদেৱে।

**ভৱন সম্প্ৰসাৰণ**—ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বছৰে বছৰে বাঢ়ি অহাৰ ফলত বিশেষকৈ পাঠদান কোঠালিৰ অনাটন ঘটাত, এই বেলি ২টা নতুন শ্ৰেণী কোঠা সাজি উলিওৱাৰ বাবে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষ ধন্যবাদৰ পাত্ৰ। আশা কৰোঁ ভৱিষ্যতে কৰ্তৃপক্ষই আমাৰ অভাৱবোৰ দূৰীকৰণত সহায়ক হ'ব।

**শ্বহীদ বেদী স্থাপন** "Man is mortal." কিন্তু স্মৃতি যুগমীয়া। সেয়ে সেই পবিত্ৰ স্মৃতি যুগমীয়া কৰি ৰাখিবৰ মানসেৰে, অসমৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত বুকুৰ কেঁচা তেজ ঢালি আত্মাহুতি দিয়া বীৰ শ্বহীদ সকলৰ পৱিত্ৰ স্মৃতি উজ্বলাই ৰাখিবৰ উদ্দেশ্যে মহাবিদ্যালয়ত এটি শ্বহীদ বেদী স্থাপন কৰা হয়। গৌৰৱ আৰু সৌভাগ্যৰ কথা যে, অসমৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত হাঁহি হাঁহি মৃত্যু বৰণ কৰা (বকোৰ) ছমৰীয়া অঞ্চলৰ তথা আমাৰ মহাবিদ্যালয়ৰে ছাত্ৰী গংগা কলিতা আৰু মঞ্জু মহন্ত, বকোৰ ৰঞ্জনী বৈশ্য, চৰিন ৰাভা, ধন বাহাদুৰ ছেত্ৰী প্ৰমুখ্যে আৰু আন আন জ্ঞাত-অজ্ঞাত শ্বহীদৰ পবিত্ৰ স্মৃতি চিৰসেউজ হৈ সাক্ষ্যবহন কৰাৰ মানসেৰে এই পবিত্ৰ শ্বহীদ বেদীৰ নিৰ্মাণ।

**নতুন ছাত্ৰী আবাস নিৰ্মাণ**— আমাৰ মহাবিদ্যালয়ৰ দূৰৈৰ ছাত্ৰী বিলাক ছাত্ৰীনিবাসৰ অভাৱত অহা-যোৱা কৰে বা ইতস্ততঃ থাকি শিক্ষা লাভ কৰিব লগা হৈছে। তেওঁলোকৰ এই অভাৱ পূৰণৰ বাবে এটি ছাত্ৰী আবাসৰ নিৰ্মাণ কাৰ্য্য চলি আছে। আশা কৰোঁ, এই ছাত্ৰী আবাসটোৱে দূৰৈৰ ছাত্ৰী সকলৰ শিক্ষা লাভত অসুবিধা দূৰ কৰিবলৈ সমৰ্থ হ'ব।

**আমাৰ ছাত্ৰ সকলৰ কৃতিত্ব**—গৌৰৱৰ বিষয় যে ইং ১৯৮৫-৮৬ চনৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত শৰীৰ চৰ্চা প্ৰতিযোগিতাত দ্বিতীয় পুৰস্কাৰ লাভ কৰে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ শ্ৰীজিতেন কলিতাই। তাৰ উপৰিও এইবেলি ইং ১৯৮৫-৮৬ চনত গোৱালপাৰাত অনুষ্ঠিত গুৱাহাটী বিশ্ববিদ্যালয় 'আন্তঃ মহাবিদ্যালয়' ফুটবল প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ে কোৱাৰ্টাৰ ফাইনেল খেলাৰ যোগ্যতা অৰ্জন কৰে।

**মহাবিদ্যালয়ৰ অভাৱ-অভিযোগ** বছৰৰ লেখেৰে আমাৰ মহাবিদ্যালয়খনে বাইশ বছৰত ভৰি দিছে। এই দৃষ্টিত এগৰাকী পূৰ্ণ যৌৱন প্ৰাপ্ত গাভৰু সদৃশ। যদিও প্ৰকৃত আপডালৰ অভাৱত পৰি তেনেই জয় পৰি পূৰ্ণ পৰ্য্যায় ৰূপ পোৱাত বাধাগ্ৰস্ত হোৱা যেন লাগে।

উপযুক্ত কোঠালিৰ অভাৱত পাঠদান আৰু গ্ৰহণত যথেষ্ট অসুবিধাৰ কথাও নুই কৰিব নোৱাৰি। সংগীত চৰ্চ্চা আৰু নাট্যাভিনয়ত ৰূপ থকা ছাত্ৰ-ছাত্ৰীৰ বাবে স্থায়ী ৰংগমঞ্চ আৰু প্ৰেক্ষাগৃহৰ অভাৱ মন কৰিবলগীয়া। তদুপৰি পুথিভঁৰাল-টো আন এটা বহল কোঠালিলৈ স্থানান্তৰিত কৰিব পাৰিলে ছাত্ৰ-ছাত্ৰীসকলৰ এটি বহুদিনীয়া অভাৱ পূৰণ হ'ব। আমাৰ খেল পথাৰখনৰ অৱস্থা বৰ শোচনীয়। ছাত্ৰ-ছাত্ৰীৰ অনুপাতে প্ৰস্ৰাৱগাৰ আৰু শৌচাগাৰৰ বৃদ্ধি আৰু উন্নতি হোৱা উচিত। ছাত্ৰ-ছাত্ৰীৰ জিৰণি কোঠাত যথপোযুক্ত নহয়। মহাবিদ্যালয়ত বিশুদ্ধ খোৱা পানীৰো সুব্যৱস্থা নাই। তদুপৰি এখন কেণ্টিনৰ অভাৱ বাৰুকৈয়ে অনুভৱ কৰা হৈছে। আমাৰ

এই অভাৱ অভিযোগ সমূহৰ দূৰীকৰণৰ কিঞ্চিত মানা আশা কৰিব পাৰোঁনে ? আশা কৰোঁ কৰ্ত্তৃপক্ষই এই বিষয়ত সঁহাৰি জনাব।

**কৃতজ্ঞতা স্বীকাৰ** – বিগত কালছোৱাত কাৰ্যভাৰ চলাই নিয়াত ছাত্ৰ-একতা সভাৰ সদস্যসকল, বন্ধু-বান্ধৱী সকল তথা মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু অধ্যাপক অধ্যাপিকা সকলে আগবঢ়োৱা সহায়-সহযোগিতা, দিহা-পৰামৰ্শৰ বাবে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌশেষত অজানিতে হোৱা ভুল-ত্ৰুটিৰ মাৰ্জনা বিচাৰি মহাবিদ্যালয়ৰ উন্নতি কামনা কৰাৰ লগতে 'জৱাহৰ জ্যোতি'ৰ দীৰ্ঘায়ু কামনা কৰি প্ৰতিবেদন সামৰিছোঁ।

'জয় আই অসম'
শ্ৰীক্ষীৰোদ শৰ্ম্মা।
সাধাৰণ সম্পাদক,
ছাত্ৰ-একতা সভা।
জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো।

# ঃ সাংস্কৃতিক বিভাগৰ সম্পাদকীয় প্ৰতিবেদন ঃ

প্ৰতিবেদনৰ পাতনিতে সকলো ছাত্ৰ-ছাত্ৰীকে শুভেচ্ছা জনাইছোঁ। সাংস্কৃতিক সম্পাদক হিচাপে যি গুৰু দায়িত্ব আৰু কৰ্তব্য পালন কৰিব লাগে, তেনে দায়িত্ব আৰু কৰ্তব্য পথত অগ্ৰসৰ হোৱাত কিমানখিনি ফলৱতী হ'ব পাৰিছোঁ সেয়া বিচাৰ কৰাৰ দায়িত্ব আপোনালোকৰ হাততে··· ।

**সাংস্কৃতিক এটি-দুটি কথাৰে**—সংস্কৃতি হ'ল এটা জাতিৰ সম্পদ। গণজীৱনৰ আঁহে আঁহে পাহে পাহে ই সোমাই থাকে। গণজীৱনক কেন্দ্ৰ কৰিয়েই এটা জাতিৰ কৃষ্টি গঢ়ি উঠে আৰু জীয়াই থাকে। সংস্কৃতি চিৰ সুন্দৰ, সুন্দৰেই সত্য আৰু শিৱ। সুন্দৰৰ বাজ আলিং দি সুন্দৰৰ আৰাধনা কৰি মানৱ জীৱন তথা মানৱ সমাজক সুন্দৰ কৰি তোলা শিল্পী সকলৰ পৱিত্ৰ কৰ্ত্তব্য। এনে ক্ষেত্ৰত বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীয়ে কেৱল অধ্যয়নতে আৱদ্ধ নাথাকি আন আন দিশৰ উপৰিও সাংস্কৃতিক দিশতো সমানে খোজ মিলাই যোৱাটো অতি প্ৰয়োজনীয় কৰ্তব্য। অৱশ্যে তাৰ বাবে একান্ত প্ৰয়োজন সাধনা, একাগ্ৰতা আৰু অনুশীলনৰ।

**মহাবিদ্যালয় সপ্তাহ**—অইন অইন বেলিৰ দৰে এই বেলিও সাংস্কৃতিক সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিনৰ পিচতে অৰ্থাৎ ১৭/২/৮৬ ইং তাৰিখৰ পৰা ২২।২।৮৬ ইং তাৰিখলৈ উলহ মালহেৰে "মহাবিদ্যালয় সপ্তাহ" পালন কৰা হয়। "মহাবিদ্যালয় সপ্তাহত সাংস্কৃতিক কাৰ্যসূচীত বহুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে আৰু নিজ প্ৰতিভাৰ পৰিচয় দিবলৈ সমৰ্থ হয়।

মহাবিদ্যালয় সপ্তাহ উপলক্ষে ১৯৮৪-৮৫ চনৰ নিচিনাকৈ এইবেলিও প্ৰদৰ্শনী এখন অনুষ্ঠিত কৰা হয়। প্ৰদৰ্শনী দ্বাৰ মুকলি কৰে মাননীয় অধ্যক্ষ মহাশয়ে। এই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, অধ্যাপক, অধ্যাপিকাৰ বাহিৰেও অন্যান্য অতিথি বৃন্দই প্ৰদৰ্শনী চাই ভূয়সী প্ৰশংসা কৰে। প্ৰদৰ্শনীৰ সামগ্ৰী সমূহ চোৱা মেলাৰ বাবে দায়িত্ব ভাৰ দিয়া হয় বন্ধু শ্ৰীউত্তম কুমাৰ চৌধুৰী, কমল চৌধুৰী, মৃণালি নাথ আৰু ছাত্ৰী বান্ধৱী মিচ্ অঞ্জলি দাস আৰু চন্দনা দেৱীক।

**অভাৱ-অভিযোগ** — এখন মহাবিদ্যালয়ত অভাৱ অভিযোগ থকাটো অস্বাভাৱিক নহয়। যিখিনি অভাৱক অগ্ৰাধিকাৰ ভিত্তিত পূৰণ কৰিব লাগে, সেই অভাৱখিনি এতিয়ালৈ পূৰণ নোহোৱাটো মোৰ বোধেৰে বৰ দুখৰ কথা। সহৃদয় কৰ্তৃপক্ষই সহানুভূতিৰে চালি-জাৰি চাই ইমান দিনে ভূগি অহা অসুবিধাবোৰ ভৱিষ্যতলৈ দূৰীকৰণত দৃষ্টি দিলেই মোৰ লিখনি সাৰ্থক হ'ব।

অভাৱ আৰু অসুবিধাৰ ক্ষেত্ৰত এটি স্থায়ী প্ৰেক্ষাগৃহৰ অভাৱ বাৰুকৈয়ে উপলব্ধি কৰা হৈছে। তদুপৰি প্ৰয়োজনীয় বাদ্য-যন্ত্ৰৰ অভাৱ আৰু যিখিনি আছে তাৰ সংৰক্ষণৰ সুব্যৱস্থা নথকাটো বৰ পৰিতাপৰ কথা।

**কিছু অভিজ্ঞতা**—বকো মহাবিদ্যালয়ৰ ১৯৮৫-৮৬ ইং চনৰ সাংস্কৃতিক বিভাগৰ সম্পাদক হিচাপে কৃষ্টিৰ বহল পথাৰ খনিত খোজ পেলাই যিখিনি অভিজ্ঞতা লাভ কৰিলোঁ। সেয়া মন পথাৰত সদায় সেউজবুলীয়া হৈ থাকিব।

**কৃতজ্ঞতা জ্ঞাপন** মোৰ কাৰ্যকালত বিভিন্ন কাম-কাজ সমূহ সুকলমে চলাই দিহা পৰামৰ্শ দি মোক উৎসাহিত তথা প্ৰেৰণা যোগোৱা বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ যতীন্দ্ৰ নাথ দেৱ আৰু সাংস্কৃতিক বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক দিলীপ দাস আৰু মহাবিদ্যালয়ৰ আন আন অধ্যাপক-অধ্যাপিকা সকলৰ ওচৰত মই চিৰ কৃতজ্ঞ। মোৰ কাৰ্যকাল ছোৱাত বিভিন্ন দিশত সহায়-সহযোগিতা আৰু উৎসাহ যোগোৱা বন্ধুবৰ বিৰিঞ্চি ৰাভা, ধীৰাজ তামুলী, মতিলাল ৰাভা, মৃণাল নাথ আৰু বান্ধৱী অঞ্জলি দাস, চন্দনা দেৱী, জুলিয়েট আৰু বীণা কলিতালৈ মোৰ আন্তৰিক শুভেচ্ছা থাকিল।

সদো শেষত মোৰ জ্ঞাত আৰু অজ্ঞাত ভুল ভ্ৰান্তিৰ বাবে ক্ষমা বিচাৰি পুনঃ মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি ইমানতেই প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু 'জৱাহৰলাল নেহৰু মহাবিদ্যালয়'

ধন্যবাদ

শ্ৰীজগোবন্ধু চৌধুৰী।

সম্পাদক, সাংস্কৃতিক বিভাগ

১৯৮৫-৮৬ চন।

# ॥ খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ॥

সকলো ছাত্ৰ-ছাত্ৰীলৈ শুভেচ্ছা যাচি মোৰ খেল বিভাগৰ প্ৰতিবেদনৰ শুভাৰম্ভণি কৰিলোঁ।

শিক্ষাৰ লগতে খেল ধেমালিৰো এটা গভীৰ সম্পৰ্ক আছে। খেল ধেমালিৰ জৰিয়তে শাৰীৰিক পৰিপুষ্টি সাধনৰ লগতে মানসিক উৎকৰ্ষ সাধন হয়। আমাৰ দেশৰ গৌৰৱ অক্ষুণ্ণ ৰাখি উজ্জ্বল ভৱিষ্যতৰ সন্ধান দিবলৈ খেল ধেমালিয়ে অনুপ্ৰাণিত কৰে। বিশ্বৰ খেলৰ দৰবাৰৰ অগ্ৰশাৰীত ঠাই পাবলৈ হ'লে আমাৰ ছাত্ৰ-ছাত্ৰী সকলেও খেল ধেমালিত অংশ গ্ৰহণ কৰি উপযুক্ত দক্ষতা দেখুৱাব পাৰিলেহে পিচপৰা দেশখনক উন্নতিৰ পথলৈ নিব পাৰিব কাৰণ দেশৰ প্ৰগতি আমাৰ ওপৰতে নিৰ্ভৰ কৰে।

মহাবিদ্যালয় সপ্তাহ—খেল-ধেমালিৰ উৎকৰ্ষ সাধনৰ বাবে এইবেলিও ১৮ ফেব্ৰুৱাৰী ৮৬ ইং তাৰিখৰ পৰা সপ্তাহজোৰা কাৰ্য্যসূচীৰে আমাৰ মহাবিদ্যালয়ত "মহাবিদ্যালয় সপ্তাহ" পালন কৰা হয়। খেল-ধেমালিৰ আৰম্ভণিৰে পৰা ছাত্ৰ-ছাত্ৰী সকলৰ উৎসাহ উদ্দীপনা পৰিলক্ষিত হয়; আৰু প্ৰতিযোগিতামূলক ভাৱে চট্ ফুট, ডিচকাচ, জেভে-লিন, প'লভল্ট, হাইজাম্প, লংজাম্প, দৌৰ প্ৰতি-যোগিতা, ভলীবল, ৰিলেৰেছ ইত্যাদি খেলত অংশ গ্ৰহণ কৰে। ছাত্ৰ-ছাত্ৰীসকলে আৰু খেলুৱৈ সকলক উৎসাহিত কৰে আৰু খেলুৱৈ সকলে নানা অসুবিধা স্বত্বেও নিজৰ যোগ্যতা দেখুৱাবলৈ সমৰ্থ হয়।

এইবেলি গোৱালপাৰাত অনুষ্ঠিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় ফুটবল প্ৰতি-যোগিতাত আমাৰ মহাবিদ্যালয়ে যোগদান কৰি কোৱাৰ্টাৰ ফাইনেল খেলাৰ যোগ্যতা অৰ্জন কৰিছিল।

কৃতজ্ঞতা জ্ঞাপন—মোৰ কাৰ্যকালছোৱাত কাম-কাজ সমূহ সুচাৰুৰূপে চলোৱাত উপদেশ, পৰামৰ্শ দি সহায় কৰা বাবে ভাৰপ্ৰাপ্ত অধ্যাপক দ্বিজেন্দ্ৰ দাস, অধ্যাপক প্ৰশান্ত বুঢ়াগোহাঁই, নবীন মুদিয়াৰ, খগেশসেন ডেকা, অধ্যাপিকা ৰুনু অধিকাৰী, মণীষা ভট্টাচাৰ্য্য, ৰুমিতা ফুকন, আৰু জয়শ্ৰী ভূঞা মহাশয় মহাশয়ালৈ সশ্ৰদ্ধ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। মোৰ কাৰ্যকালত সহায় সহযোগিতা জনোৱা বাবে হৰেণ, বীজেন সীতাৰাম, অমিয়, পানিৰাম, খনীন্দ্ৰ, মতিলাল, ইছমাইল, মৃণাল (বন্ধু) কাকলি, মিনু, আৰতি, সুচিত্ৰতা, লীলা, দৈবো, বীণ, জুতিকা (বান্ধৱী) ৰুণমাই, চন্দনা, নমিতা, ভাগীৰথী (বাইদেউ) আৰু অন্যান্য ক্ৰীড়া অনুৰাগী বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ।

প্ৰতিবেদনৰ সামৰণিত অজানিত দোষ ত্ৰুটিৰ বাবে ক্ষমা প্ৰাৰ্থনা জনাই মহাবিদ্যালয় লগতে খেল-বিভাগৰ উজ্জ্বল ভৱিষ্যতৰ হেঙুলি প্ৰভাতৰ আশা ৰাখি ক্ষুদ্ৰ প্ৰতিবেদনৰ ইতিৰেখা টানিলোঁ।

"জয়তু জৱাহৰ জ্যোতি"

শ্ৰীনন্দ কুমাৰ বড়ো।
সম্পাদক, ক্ৰীড়া বিভাগ

# ঃ তৰ্ক বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন ঃ

প্ৰতিবেদনৰ পাতনিতে অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত যি সকল বীৰ শ্বহীদৰ তপ্ত তেজেৰে লুইতৰ পানী ৰাঙলী হ'ল, যি সকলৰ এই তেজ লুইতে অসমৰ পূৰব পৰা পশ্চিমলৈ বোৱাই নিলে সেই সকল শ্বহীদক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ— হে শ্বহীদ! তুমি অমৰ হোৱা।

১৯৮৬ চনৰ ফ্ৰেব্ৰুৱাৰী মাহত মই অধ্যক্ষ মহোদয়ৰ পৰা তৰ্ক বিভাগৰ দায়িত্ব গ্ৰহণ কৰোঁ। যি সকল ছাত্ৰ-ছাত্ৰীয়ে তথা বন্ধু-বান্ধৱীয়ে মৰম আৰু সহানুভূতিৰে মোক এই বিভাগৰ দায়িত্বভাৰ অৰ্পণ কৰিলে তেওঁলোকলৈ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পাছতেই "মহাবিদ্যালয় সপ্তাহ" আৰম্ভ হয়। মহাবিদ্যালয় সপ্তাহত কুইজ তৰ্ক, আকস্মিক বক্তৃতা, কবিতা আবৃত্তি (ইংৰাজী-অসমীয়া) প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল; কিন্তু অতি দুখৰ বিষয় যে উক্ত প্ৰতিযোগিতা সমূহত প্ৰতিযোগীৰ বাহিৰে আন ছাত্ৰ-ছাত্ৰীক প্ৰায়েই উপস্থিত থকা দেখিবলৈ পোৱা নাযায়। গতিকে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকললৈ মোৰ এটি অনুৰোধ—ভৱিষ্যতে তেওঁলোকে যেন মহাবিদ্যালয়ৰ বিভিন্ন সভা-সমিতিত যোগদান কৰি এনে অনুষ্ঠানৰ মান-মৰ্যাদা অক্ষুণ্ণ ৰাখে।

মোৰ কাৰ্যকাল ছোৱাত মহাবিদ্যালয় সপ্তাহ উপলক্ষে আয়োজন কৰা বিভিন্ন প্ৰতিযোগিতা সমূহ পৰিচালনা কৰাত যি সকল অধ্যাপক, অধ্যাপিকাই মোক সহায় আগবঢ়ালে তেখেত সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা সদায় থাকিব। এই বিভাগৰ তত্বাৱধায়ক অধ্যাপিকা ৰুণু অধিকাৰী বাইদেৱে বিভিন্ন সময়ত বিভিন্ন দিহা-পৰামৰ্শ দি সুচাৰুৰূপে কাম চলাই নিয়াত যি সহায় আগবঢ়ালে তাৰ বাবে বাইদেউৰ ওচৰত মই চিৰ কৃতজ্ঞ। মই মোৰ কাৰ্যভাৰ চলাই নিয়াত জ্ঞাতেই বা অজ্ঞাতেই কৰা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰিছোঁ।

যি কেইগৰাকী বন্ধু-বান্ধৱীয়ে নানা ধৰণে সহায় আগবঢ়াই সকলোবোৰ কাম সুকলমে চলাই নিয়াত মোক অনুপ্ৰেৰণা যোগালে তেওঁলোকলৈ অশেষ ধন্যবাদ জনাইছোঁ। শেষত জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মই মোৰ সম্পাদকীয় প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ। আন্তৰিক প্ৰীতি আৰু অশেষ ধন্যবাদেৰে—

জয়তু জৱাহৰ জ্যোতি

মিচ্ ৰীতা বসাক

সম্পাদিকা,

তৰ্ক আৰু আলোচনা বিভাগ।

# ॥ সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ॥

জয় জয়তে সমূহ ছাত্ৰ-ছাত্ৰীলৈ শুভেচ্ছা জনাই মোৰ প্ৰতিবেদন আৰম্ভ কৰিলোঁ।

পঢ়া-শুনাৰ লগত সমাজ সেৱাৰ এটা গভীৰ সম্পৰ্ক আছে। সমাজ সেৱাৰ ফলতে ল'ৰা-ছোৱালীৰ মাজত মিলা-প্ৰীতিৰ ভাৱ, একতা আদি গঢ়ি উঠে।

এইবাৰ মহাবিদ্যালয় সপ্তাহত সমাজ সেৱাৰ প্ৰতিযোগিতাত সমাজ সেৱাৰ ভাৰপ্ৰাপ্ত অধ্যাপক দেবেন্দ্ৰ নাথ শৰ্মাদেৱৰ পৰামৰ্শ আৰু সহায়ৰ কথা কোনোদিনে পাহৰিব নোৱাৰি। বন্ধু আফ্তাৰ, মহেন্দ্ৰ, লক্ষ্মী, জয়ন্ত, দীপক, পবিত্ৰ দীপক, নৃপেন, বিৰিঞ্চি, বিষ্ণু, অজিত নন্দ আদিয়ে সহায় কৰা বাবে আন্তৰিক শুভেচ্ছা জনাইছোঁ, আৰু দোষ ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি প্ৰতিবেদন সামৰিছোঁ।

"জয় আই অসম"

শ্ৰীপ্ৰসন্ন অধিকাৰী

সম্পাদক, সমাজ সেৱা।

# ঃ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন ঃ

জয় জয়তে সমূহ ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰি মোৰ প্ৰতিবেদন আৰম্ভ কৰিলোঁ।

আমাৰ ছাত্ৰ জিৰণি কোঠাৰ প্ৰয়োজনীয় সুবিধাখিনি নিচেই তাকৰ, অৱশ্যে সীমিত অৰ্থৰ মাজেদি সকলোবোৰ কিনা সম্ভৱপৰ নহয়। তথাপিও কেৰ'ম-বৰ্ড, বেড্মিণ্টন আদি যোগান ধৰিছে যদিও টেবিল টেনিছৰ আৱশ্যকতা ছাত্ৰ-ছাত্ৰী সকলে বাৰুকৈয়ে অনুভৱ কৰে। মহাবিদ্যালয় কৰ্তৃপক্ষলৈ অনুৰোধ যাতে Indoor Games ৰ যাৱতীয় সকলোবোৰ সামগ্ৰী যোগান ধৰি ছাত্ৰ-ছাত্ৰীৰ স্বকীয় আৰু সামূহিক প্ৰতিভা বিকাশ সাধনত ইন্ধন যোগায় তাকেই কামনা কৰিছোঁ।

আন বছৰৰ দৰে এইবাৰো মহাবিদ্যালয় সপ্তাহত বহু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে যোগদান কৰি বেড্মিণ্টন আৰু কেৰম প্ৰতিযোগিতা পতাত উৎসাহ জন্মায়। উচ্চমানৰ খেলেৰে প্ৰতিযোগিতা সমাপন নহ'লেও খেলৰ মানদণ্ড একেবাৰে নিম্ন খাপৰ হোৱা বুলিও কব নোৱাৰি। মাননীয় প্ৰশান্ত বুঢ়াগোহাঁই চাৰ আৰু অধ্যাপক দ্বিজেন দাস চাৰৰ দিহা-পৰামৰ্শৰ বাবে খেলবোৰ পৰিচালনা কৰাত উজু হৈ পৰিছিল। সেইবাবে তেখেত সকলৰ ওচৰত মই চিৰ কৃতজ্ঞ থাকিম। যি সকল ছাত্ৰ-ছাত্ৰীয়ে মোৰ এই এবছৰীয়া সময় কালত সহায় সহযোগিতাৰে "Indoor Game" চলোৱাত সহায় কৰিলে তেওঁলোকলৈ গভীৰ

কৃতজ্ঞতা জনালোঁ।

এই এবছৰীয়া কাৰ্যকালত মই কিমানখিনি কৃতকাৰ্য হৈছোঁ সেইটো ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱী সকলৰ বিচাৰ্য।

সদৌ শেষত মই মোৰ ভুল ভ্ৰান্তিৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

"জয় আই অসম"

শ্ৰীতৰুণ চন্দ্ৰ বড়ো।

সম্পাদক, ছাত্ৰ জিৰণি কোঠা

# ঃ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন ঃ

প্ৰতিবেদনৰ পাতনিতে সকলো ছাত্ৰ-ছাত্ৰীলৈ শুভেচ্ছা যাচিছোঁ। বিগত বছৰৰ দৰে এইবাৰো অতি আনন্দেৰে মহাবিদ্যালয় সপ্তাহ পতা হয়। অন্তৰ্ভুক্ত খেলৰ ভিতৰত আছিল কেৰম, ৰিং, টেনিচ আৰু বেডমিণ্টন। আটাইবোৰে আছিল একক আৰু দ্বৈত প্ৰতিযোগিতা। প্ৰতিযোগিতাবোৰ আছিল উচ্চ পৰ্যায়ৰ। ভৱিষ্যতেও খেলবোৰ এনেকুৱা হ'ব বুলি আশা কৰিলোঁ।

কৰ্মশীল জীৱনৰ ছাত্ৰীসকলৰ বাবে ছাত্ৰী জিৰণি কোঠা কিমান আৱশ্যক তাক বোধহয় উল্লেখ নকৰিলেও হ'ব। বছৰে বছৰে ছাত্ৰীৰ সংখ্যা বাঢ়ি অহাৰ পৰিপ্ৰেক্ষিতত মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ক ছাত্ৰী জিৰণি কোঠা টো সলনি কৰাৰ বাবে অনুৰোধ কৰাত এটি কোঠাৰ যোগান ধৰিছিল যদিও বিজ্ঞান শাখা খোলাৰ বাবে সেইটো শ্ৰেণী কোঠাৰূপে ব্যৱহাৰ কৰা হয়। ইয়াৰ বাবে অধ্যক্ষ মহোদয়ক জগৰীয়া কৰিব নোৱাৰোঁ। খেলৰ সঁজুলি আৰু বহা আসন যোগান ধৰাৰ উপৰিও দৈনিক বাতৰি কাকত আৰু ফিল্টাৰ এটাৰ বাবে অধ্যক্ষ মহোদয়ক জনাইছিলোঁ। কিন্তু বহুতো অসুবিধা থকাৰ কাৰণে মহাশয়ৰ পৰা দিয়া নিদিয়াৰ একো সিদ্ধান্ত নাপালোঁ। এইবিলাক আশাৰ বাস্তৱত ৰূপ দিবলৈ নাপাই নিজেই দুখিত। ইয়াৰ বিহিত ব্যৱস্থা মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই অনতিপলমে ল'ব বুলি আশা থাকিল।

মোৰ এই কাৰ্যকালত বিভিন্ন দিশত দিহা-পৰামৰ্শ আগবঢ়োৱা হেতুকে মাননীয় অধ্যক্ষ যতীন্দ্ৰ নাথ দেৱ, ভাৰপ্ৰাপ্ত অধ্যাপিকা মনীষা ভট্টাচাৰ্য্য বাইদেউ আৰু আন আন অধ্যাপক অধ্যাপিকালৈ আন্তৰিক কৃতজ্ঞতা জনালোঁ। ইয়াৰ উপৰিও মোক অকৃত্ৰিমভাৱে পদে পদে যি সকল বন্ধু-বান্ধৱী আৰু ভাইটি-ভন্টিয়ে সহায় সহযোগ কৰিছে তেওঁলোকৰ কথা মোৰ মানসপটত চিৰ সেউজীয়া হৈ ৰ'ব।

পৰিশেষত মোৰ কাৰ্যকাল ছোৱাত অজানিতে হোৱা ভুলৰ বাবে ক্ষমা বিচাৰি মহাবিদ্যালয়ৰ ভৱিষ্যত উজ্জ্বল কামনা কৰি প্ৰতিবেদন ইমানতে সামৰিছোঁ।

"জয় আই অসম"

মিচ্ বুলু ৰাণী দাস

সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা

# ঃ ১৯৮৫-৮৬ ইং চনৰ মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতাৰ ফলাফল ঃ

## খেল বিভাগৰ ফলাফল [ ল'ৰাৰ শাখা ]

১০০ মিটাৰ দৌৰ ঃ

১ম—শ্ৰীভীষ্ম দেৱ ৰাভা ( উঃ মাঃ ২য় )
২য়—„ লক্ষেশ্বৰ নাথ ( „ )
৩য়—„ বিষ্ণু দাস ( উঃ মাঃ ১ম )

২০০ মিটাৰ দৌৰ ঃ

১ম—শ্ৰীনন্দ কুমাৰ বড়ো ( উঃ মাঃ ১ম )
২য়—ভীষ্ম দেৱ ৰাভা ( উঃ মাঃ ২য় )
৩য়—বসন্ত ৰড়ো ( স্নাতক ১ম )

৪০০ মিটাৰ দৌৰ ঃ

১ম—শ্ৰীপৰন কুমাৰ ৰাভা ( স্নাতক ১ম )
২য়—„ ভীষ্ম দেৱ ৰাভা ( উঃ মাঃ ২য় )
৩য়—„ লক্ষেশ্বৰ নাথ ( উঃ মা ২য় )

৮০০ মিটাৰ দৌৰ ঃ

১ম—শ্ৰীবসন্ত বড়ো ( স্নাতক ১ম )
২য়—„ জগদীশ ৰাভা ( „ )
৩য়—„ লক্ষেশ্বৰ নাথ ( উঃ মাঃ ২য় )

বিলোবেচ্ ঃ

১ম—শ্ৰীপ্ৰমোদ পাঠক ( স্নাতক ১ম )
„ ভীষ্ম দেৱ ৰাভা ( উঃ মা ২য় )
„ প্ৰদীপ কলিতা „
„ বীৰেণ ৰাভা „
২য়—শ্ৰীমতিলাল ৰাভা ( স্নাতক ১ম )
„ জগদীশ ৰাভা „
শ্ৰীপৰন কুমাৰ ৰাভা ( স্নাতক ১ম )
„ বসন্ত বড়ো „
৩য়—শ্ৰীউপেন চন্দ্ৰ ৰাভা ( উঃ মাঃ ১ম )
„ আফতাৰ ছুছেইন হাজৰিকা „
„ প্ৰণৱ কুমাৰ বড়ো „
„ মহেন্দ্ৰ ৰাভা „

স্বট্ পুত ঃ

১ম—শ্ৰীমতিলাল ৰাভা ( স্নাতক ১ম )
২য়—„ পুনিৰাম ৰাভা „
৩য়—„ বসন্ত ৰড়ো „

দিচ্ কাচ থ্ৰো ঃ

১ম—শ্ৰীনন্দ কুমাৰ বড়ো ( উঃ মাঃ ১ম )
২য়—„ মতিলাল ৰাভা ( স্নাতক ১ম )
৩য়—„ বিপুল খাটনিয়াৰ ( উঃ মাঃ ২য় )

জেভলিন থ্ৰো ঃ

১ম—শ্ৰীমতিলাল ৰাভা ( স্নাতক ১ম )
২য়—„ পুনিৰাম ৰাভা „
৩য়—„ নন্দ কুমাৰ ৰড়ো ( উঃ মাঃ ২য় )

প'লভল্ট :

১ম - শ্ৰীনন্দ কুমাৰ বড়ো (উঃ মাঃ ১ম)
২য়—„ পুনিৰাম ৰাভা (স্নাতক ১ম)
৩য় „ উপেন চন্দ্ৰ ৰাভা (উঃ মাঃ ১ম)
৪ৰ্থ „ পৱন কুমাৰ ৰাভা (স্নাতক ১ম)

হাই জাম্প :

১ম শ্ৰীপুনিৰাম ৰাভা (স্নাতক ১ম)
২য়—„ নন্দ কুমাৰ বড়ো (উঃ মাঃ ১ম)
৩য়—„ প্ৰদীপ কলিতা (উঃ মাঃ ২য়)

লং জাম্প :

১ম—শ্ৰীনন্দ কুমাৰ বড়ো (উঃ মাঃ ১ম)
২য়—„ পুনিৰাম ৰাভা (স্নাতক ১ম)
৩য় „ বীৰেণ ৰাভা (উঃ মাঃ ২য়)

ভলী বল :

১ম - শ্ৰীমতিলাল ৰাভা (স্নাতক ১ম)
„ পুনিৰাম ৰাভা „
„ পৱন ৰাভা „
„ বসন্ত বড়ো „
„ কন্দৰ্প বড়ো „
„ জগদীশ পাঠক „

২য়—শ্ৰীবলোৰাম বড়ো (উঃ মাঃ ১ম)
„ উপেন চন্দ্ৰ ৰাভা „
„ নন্দ কুমাৰ বড়ো „
„ বলীন্দ্ৰ নাথ „
„ নন্দলাল তুলশীয়াৰী „
„ শুক্লেশ্বৰ ৰাভা „
মঃ আফটাৰ হুচেইন হাজৰিকা „ ।

## ছাত্ৰ জিৰণি কোঠা বিভাগৰ ফলাফল—

কেৰম (এজনীয়া)

১ম শ্ৰীপ্ৰদীপ নাথ (H.S 2nd)
২য়—„ প্ৰদীপ মহন্ত (B A. 2nd)

কেৰম (দুজনীয়া)

১ম—শ্ৰীপ্ৰদীপ নাথ (H.S. 2nd)
„ দিলীপ দাস (B.A. 2nd)
২য় শ্ৰীপৰিমল ৰয় (H.S. 1st)
আফতাৰ হুচেইন হাজৰিকা (H.S, 1st)

বেডমিণ্টন (এজনীয়া)

১ম—শ্ৰীসীতা ৰাম বড়ো (B.A 2nd)
২য় „ প্ৰসন্ন অধিকাৰী (H.S. 1st)

বেডমিণ্টন (দুজনীয়া)

১ম শ্ৰীতৰুণ বড়ো (H.S 2nd)
„ দিলীপ দাস. (H.S. 2nd)
২য় - শ্ৰীপ্ৰদীপ কলিতা (H.S. 2nd)
„ সীতা ৰাম বড়ো (H.S. 2nd)

### ছোৱালী শাখা :

১০০ মিঃ দৌৰ :

১ম—মিচ্ দৈব্যে ৰাভা (উঃ মাঃ ২য়)
২য়—" মিনু দাস "
৩য়—" ভৱানী কলিতা "

২০০ মিঃ দৌৰ :

১ম – মিচ্ দৈব্যে ৰাভা (উঃ মাঃ ২য়)
২য় —" ভৱানী কলিতা "
৩য়—" নামতী ৰাভা "

৪০০ মিঃ দৌৰ :

১ম – মিচ্ দৈব্যে ৰাভা (উঃ মাঃ ২য়)

২য়—শ্ৰীবুলু ৰাণী দাস (স্নাতক ১ম)
২য়—" নামতী ৰাভা (উঃ মাঃ ২য়)

ৰিলেৰেচ :
১ম—মিচ মিনু দাস (উঃ মাঃ ২য়)
" দৈব্যে ৰাভা "
" লীলাৱতী ৰাভা "
" নামতী ৰাভা "
২য়—মিচ্ কাকলি অধিকাৰী (উঃ মাঃ ২য়)
" ৰুণমাই ৰাভা (স্নাতক ১ম)
" ভাগীৰথী কলিতা "
" নমিতা বসাক "

ভাৰসাম্য দৌৰ :
১ম মিচ্ দৈব্যে ৰাভা (উঃ মাঃ ২য়)
২য়— " লীলাৱতী ৰাভা "
৩য়— " কাকলি অধিকাৰী "

চটপুত :
১ম মিচ্ দৈব্যে ৰাভা (উঃ মাঃ ২য়)
২য়— " লীলাৱতী ৰাভা "
৩য়— " মিনু দাস "

জেভলিন থ্ৰো :
১ম—মিচ্ দৈব্যে ৰাভা (উঃ মাঃ ২য়)
২য়— " বীতা বসাক (স্নাতক ১ম)
৩য়— " ভৱানী কলিতা (উঃ মাঃ ২য়)

দিচ্কাচ্ থ্ৰো :
১ম—মিচ্ বীতা বসাক (স্নাতক ১ম)
২য়—" দৈব্যে ৰাভা (উঃ মাঃ ২য়)
৩য়—" মিনু দাস "

ব্লাইগুহিট :
১ম—মিচ্ চিত্ৰা কলিতা (স্নাতক ১ম)
২য়—" কাকলি অধিকাৰী (উঃ মাঃ ২য়)
৩য়—" প্ৰতিভা দাস (স্নাতক ১ম)
৪ৰ্থ—" মিনু দাস (উঃ মাঃ ২য়)

মিউজিক চেয়াৰ :
১ম—মিচ্ নামতী ৰাভা (উঃ মাঃ ২য়)
২য়—" কাকলি অধিকাৰী "
শ্ৰেষ্ঠ খেলুৱৈ—মিচ্ দৈব্যে ৰাভা "

**তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ ফলাফল :**

তৰ্ক প্ৰতিযোগিতা :
১ম—শ্ৰীদীপক কুমাৰ ৰয় (উঃ মাঃ ১ম)
২য়—" মতিলাল ৰাভা (স্নাতক ১ম)
" প্ৰদীপ কলিতা (উঃ মাঃ ২য়)

আকস্মিক বক্তৃতা :
১ম শ্ৰীদীপক কুমাৰ ৰয় (উঃ মাঃ ১ম)
২য় " প্ৰদীপ কলিতা (উঃ মাঃ ২য়)

কবিতা আবৃত্তি (অসমীয়া)
১ম—মিচ জুলিয়েট দাস (স্নাতক ২য়)
২য়—" নমিতা বসাক " ১ম

কবিতা আবৃত্তি (ইংৰাজী)
১ম মিচ্ জুলিয়েট দাস (স্নাতক ২য়)
" প্ৰতিভা দাস (" ১ম)
২য়—শ্ৰীপ্ৰকাশ মেধি (উঃ মাঃ ২য়)

কুইজ প্ৰতিযোগিতা :
১ম—শ্ৰীপ্ৰমোদ পাঠক (উঃ মাঃ ২য়)
" জগদীশ পাঠক (স্নাতক ১ম)
" ভীষ্মদেৱ ৰাভা (উঃ মাঃ ২য়)
" উপেন দাস (উঃ মাঃ ১ম)
" হিতেশ ৰয় (উঃ মাঃ ২য়)
২য়—শ্ৰীবিৰিঞ্চি কুমাৰ ৰাভা (স্নাতক ১ম)

,, ফৰিহুল ইছলাম ,,
,, গিৰীশ বড়ো ,,
কনকলতা ৰায়ন ,,
,, প্ৰতিভা দাস ,,
২য়—শ্ৰীদীপক কুমাৰ ৰয় ( উঃ মাঃ ১ম )
,, দীপক কুমাৰ ,,
,, পৰিমল ৰয় ,,
,, শুচিব্ৰতা স্বৰ্গীয়াৰী ,,
,, মন্দিতা কলিতা ,,

**ছাত্ৰী জিৰণি কোঠাৰ খেল সমূহৰ ফলাফল :**

ৰিং ( এজনীয়া )
১ম—মিচ্ ৰীতা বসাক ( স্নাতক ১ম )
২য়—,, কণমাই ৰাভা ,,

ৰিং ( দুজনীয়া )
১ম—মিচ্ বুলু ৰাণী দাস ( স্নাতক ১ম )
,, কণমাই ৰাভা ,,
২য়—মিচ্ ৰীতা বসাক ( স্নাতক ১ম )
,, নমিতা বসাক ,,

কেৰম ( এজনীয়া )
১ম—মিচ্ বুলু ৰাণী দাস ( স্নাতক ১ম )
২য়—,, শুচিব্ৰতা স্বৰ্গীয়াৰী ( উঃ মাঃ ১ম )

কেৰম ( দুজনীয়া )
১ম—মিচ্ বুলু ৰাণী দাস ( স্নাতক ১ম )
,, শুচিব্ৰতা স্বৰ্গীয়াৰী ( উঃ মাঃ ১ম )
২য়—মিচ্ চন্দনা দেৱী ( স্নাতক ১ম )
,, প্ৰতিভা দাস ,,

বেডমিণ্টন ( এজনীয়া )
১ম—মিচ্ ৰীতা বসাক ( স্নাতক ১ম )
২য়—,, কাকলি অধিকাৰী ( উঃ মাঃ ২য় )

বেডমিণ্টন ( দুজনীয়া )
১ম—মিচ্ শুচিব্ৰতা স্বৰ্গীয়াৰী ( উঃ মাঃ ১ম )
,, কাকলি অধিকাৰী ( উঃ মাঃ ২য় )
২য়—মিচ্ নমিতা বসাক ( স্নাতক ১ম )
,, ৰীতা বসাক ,,

**সাংস্কৃতিক বিভাগৰ ফলাফল—**

বৰগীত :
১ম—শ্ৰীপূৰ্ণিমা বৈশ্য ( উঃ মাঃ ২য় )
২য়—,, প্ৰদীপ কলিতা ,,
,, কাকলি অধিকাৰী ,,
৩য়—,, দীপিকা দেৱী ( উঃ মাঃ ১ম )

জ্যোতি সংগীত :
১ম শ্ৰীপ্ৰদীপ কলিতা ( উঃ মাঃ ২য় )
২য়—,, চিত্ৰা কলিতা ( স্নাতক ১ম )
৩য়—,, প্ৰমোদ পাঠক ( উঃ মাঃ ২য় )

বিষ্ণু সংগীত :
১ম শ্ৰীভীষ্মদেৱ ৰাভা ( উঃ মাঃ ২য় )
২য়—,, প্ৰদীপ কলিতা ,,
৩য়—মিচ্ কাকলি অধিকাৰী ,,

ভজন :
১ম শ্ৰীধীৰাজ তামুলী ( স্নাতক ২য় )
২য়- মিচ্ চিত্ৰা কলিতা ,, ১ম
৩য়—শ্ৰীপ্ৰদীপ কলিতা ( উঃ মাঃ ২য় )

গজল :
১ম—শ্ৰীপ্ৰদীপ কলিতা ( উঃ মাঃ ২য় )
২য়—মিচ্ চিত্ৰা কলিতা ( স্নাতক ১ম )
৩য়—শ্ৰীভীষ্মদেৱ ৰাভা ( উঃ মাঃ ২য় )

আধুনিক গীত :
১ম—শ্ৰীপ্ৰদীপ কলিতা ( উঃ মাঃ ২য় )

২য়—মিচ্ কাকলি অধিকাৰী ”
৩য়—„ চিত্ৰা কলিতা (স্নাতক ১ম)

লোক গীত :
১ম—মিচ্ ইৰা বায়ন (উঃ মাঃ ২য়)
২য়—„ কাকলি অধিকাৰী ”
৩য়—শ্ৰীপ্ৰদীপ কলিতা ”

বনগীত :
১ম মিচ্ ইৰা বায়ন (উঃ মাঃ ২য়)
২য়—শ্ৰীপ্ৰদীপ কলিতা ”
৩য়—শ্ৰীপ্ৰমোদ কলিতা ”

বড়োগীত :
১ম শ্ৰীকন্দৰ্প বড়ো (স্নাতক ১ম)
২য়—” ধীৰাজ তামুলী ” ২য়

ভুপেন্দ্ৰ সংগীত :
১ম শ্ৰীপ্ৰদীপ কলিতা (উঃ মাঃ ২য়)
২য়—মিচ্ ইৰা বায়ন ”
৩য়—শ্ৰীভীষ্ম দেৱ বাভা ”

শ্ৰেষ্ঠ সংগীত শিল্পী :
শ্ৰীপ্ৰদীপ কলিতা (উঃ মাঃ ২য়)

## সাহিত্য বিভাগৰ ফলাফল—

কবিতা :
১ম—মিচ্ কৰ্ণলতা চৌধাৰী (উঃ মাঃ ১ম)
২য়—শ্ৰীবীৰেণ ৰাভা ” ২য়
” বিৰিঞ্চি কুমাৰ ৰাভা (স্নাতক ১ম)

গল্প :
১ম—নাই
২য় শ্ৰীঅতুল দাস (উঃ মাঃ ১ম)
মঃ ফজলুৰ ৰহমানখাঁন ”

নিচুকণি বঁটা শ্ৰীক্ষীৰোদ ঠাকুৰীয়া (স্নাতক ২য়)

প্ৰবন্ধ :
১ম - শ্ৰীধীৰেন চন্দ্ৰ ৰাভা (উঃ মাঃ ২য়)
২য়—” বিৰিঞ্চি কুমাৰ ৰাভা (স্নাতক ১ম)

নিচুকণি বঁটা শ্ৰীপ্ৰদীপ বৰ্মন (উঃ মাঃ ১ম)


## সমাজ সেৱা বিভাগৰ ফলাফল—

১ম—শ্ৰীদেৱকান্ত ৰাভা (স্নাতক ১ম)
২য়—” মৃণাল নাথ ”
৩য়—” চন্দ্ৰ কান্ত নাথ ”
৪থ—” নন্দ কুমাৰ বড়ো (উঃ মাঃ ১ম)
৫ম ” অমিয় কুমাৰ ডেকা ” ২য়
৬ষ্ঠ—” বিৰিঞ্চি কুমাৰ ৰাভা (স্নাতক ১ম)


# ॥ সম্ভাৱনাৰ প্ৰতিশ্ৰুতি বহন কৰা আমাৰ ছাত্ৰ-ছাত্ৰী সকল ॥




শ্ৰীনন্দ কুমাৰ বড়ো
এই বছৰৰ শ্ৰেষ্ঠ খেলুৱৈ ।



শ্ৰীদৈব্যে বাভা
এই বছৰৰ শ্ৰেষ্ঠা খেলুৱৈ ।



শ্ৰীপ্ৰদীপ কুমাৰ কলিতা
এই বছৰৰ শ্ৰেষ্ঠ কণ্ঠ শিল্পী আৰু সকলো বিষয়তে পাৰদৰ্শিতা দেখুৱাই বিশেষ বঁটা লাভ কৰেঁাতা । এওঁ ১৯৮৫ ইং চনত নগাঁৱত অনুষ্ঠিত সদৌ অসম ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাতো ২য় পুৰস্কাৰ লাভ কৰে ।



শ্ৰীজীতেন কলিতা

এও এইবেলি আন্তঃ কলেজ শৰীৰ চৰ্চা বিভাগৰ

প্ৰতিযোগিতাত ২য় পুৰস্কাৰ লাভ

কৰিবলৈ সমৰ্থ হয়।

# ENGLISH SECTION

# THE JAWAHAR JYOTI

EIGHT ISSUE

1985 – 1986

**Editor : Shri BIRINCHI KUMAR RABHA**

## THIS SECTION PRESENTS


1. Jawaharlal Nehru College ; Some Glimpses : By Principal J. C. Nath
2. My Errors : My Vow : Bhishmadev Rabha
3. Tarun Ram Phukan- A Political Study : Miss Manisha Bhattacharyya
4. A. B. O. Blood Groups of Human Being : Miss Joyshri Bhuyan

# JAWAHARLAL NEHRU COLLEGE ; SOME GLIMPSES

By Principal J. C. Nath

**A Promise Redeemed :**

1986 will remain an important landmark in the history of this college. Eversince its establishment in 1964, the people of this backward and tribal area cherished the hope that this college would also offer facilities for science education in the near future. In fact, Late Sri Probin Kumar Chaudhury, the founder President of the college Governing Body and then Minister of State for transport, while inaugurating the new college building on August 4, 1971 promised that he would make it a full-fledged college by introducing science faculty in it. But before he could fulfil his promise, the cold hand of death snatched him from our midst on 16th November, 1975 and the college was orphaned by his untimely passing away. The college authorities, inspite of their sincere efforts could not open science after his death for want of funds. In 1978, when the Janata Party come to power in the state, a deputation on behalf of the college waited upon the Education Minister Sri Lakshyadhar Chaudhury and pleaded for special consideration in sanctioning a science grant to the college, but to no avail.

Then came the Movement against the Foreign Nationals and the move for opening science was, for the time being, in a low-key. But with the installation of the new A G P Government on Dec 24, 1985 a fresh ray of hope dawned and the demand for opening of science faculty in the college was revived. But the difficulty arose

with the dissolution of the Governing Bodies of the Aided Colleges by the State Govt in January, 1986. The decision for introduction of science had to be taken solely by the Principal. Taking the full support of the Staff and students of the college and also of the general public as the capital, a proposal for introduction of Science Faculty in the Higher Secondary level from the session 1986-87 was submitted to the Assam Higher Secondary Education Council. The A.H.S.E.C. caused an inspection and Professor Birendra Kumar Baruah, former Head of the Department of Physics, and Rtd Vice Principal, Cotton College inspected the College on 25 7.86 Before the formal permission was accorded, the green signal for appointment of Staff and enrolment of students was given by the Secy, A. H. S. E. C. Accordingly, Lecturers in various departments were appointed and students enrolled in the 1st yr H. S. Class. The 1st Yr H. S. Science class started functioning from 1st Sept, 1986 with 20 students on roll and was formally inaugurated by Dr. Sailajananda Bharali, M. Sc., D. Phil, D. P. I., Assam on 6th Oct, 1986 amidst great enthusiasm. With the inauguration of Science faculty in the College a long felt need was fulfilled and a promise redeemed.

As is known to everybody, Science education is highly expensive. The college authorities will have to maintain the staff and install laboratories out of its own resources until the government sanctions science grants to the college. And for this, at least two lakhs of rupees will be initially required. The college does not have strong fund to meet this requirement. The generous public will have to contribute liberally to the science fund to make this venture a success. As a welcome gesture, all the employees of the college have voluntarily donated one day's salary towards the Science Fund.

**New Constructions :**

With the introduction of the three Year Degree Course in the colleges under the two Universities of the State, from the academic

session 1984-85 the colleges had to face the twin problems of additional accommodation for class rooms and laboratories as well as additional teaching staff. The college authorities undertook extension of the existing college building in 1984 and have constructed two class rooms covering an area of 2660 Sqft at a cost of Rs. 1,07,775/-. which were formally inaugurated by the Hon'ble D.P.I., Assam Dr Sailajanada Bharali on 6th Oct/86. The college authorities have simultaneously undertaken construction of a girls' hostel with a grant of Rs. 1,00,000/- received from the State Government. But the construction work has been temporarily suspended for non-availablity of funds and shall be resumed as soon as funds are made available by the Govt.

**Shaheed Bedi at College Campus:**

During the six-year movement against foreign nationals under the able leadership of the All Assam Students' Union and All Assam Gana Sangram Parishad, our college participated whole heartedly in all its phases and programmes. As a matter of fact, one of our students, Miss Ganga Kalita became the first Shaheed of the area when in the wake of the 1913 General Election, suspected foreign nationals and communal elements attacked the holy Chamaria Satra on the morning of February 12, 1983. When after the successful conclusion of the Assam Accord, Sriman Prafulla Kumar Mahanta, our beloved President of the A A S U (now Chief Minister of Assam) and other leaders of the movement including Sarvasri Bharat Narah, Probin Gogoi, Jatin Mali and Kumar Dipak Das visited our college on 13th Sept 1985, they were given a hero's welcome by the staff, students and thousands of people of the area. As deeply involved in the movement, the students desired the construction of a suitable memorial in the college campus to perpetuate the sacred memory of the martyrs who gave their lives in the course of the movement against the foreign natianals. Two hurdles stood in their way of fulfilment of their

desire—namely, paucity of funds and the govt orders prohibiting erection of any memorial in the name of those who lost their lives in the agitation against foreigners. But with the formation of Govt by the A. G P., students came forward with determination for realization of their desire, and a Shaheed Bedi with a parkaround it was constructed at a cost of Rs. 14,000/–collected by the students from among themselves in the form of Union Fees and voluntary donations.

The Shaheed Bedi ( or martyrs' column ) stands on 3 foot circular base having five steps in the shape of an Assamese Sarai. At the top of the octagonal column is a blooming lotus looking to the rising sun. The Assam Movement gave birth to a regional force with a national outlook for preservation of the cultural identity of the greater Assamese people, to foster unity, peace and harmony among all sections of the people living in the state, and to inspire the younger generation to work for the progress and prosperity of the state and the nation selflessly. This new force was born out of the sacrfice of the matyrs who laid dohwn their lives for fulfilment of these ideals. The column symbolizes the sacrifice of the martyrs ( the Shaheeds ) and the blooming lotus, the fruition of the hopes and aspirations of the people of Assam at the rise of the New Sun which is the new regional force.

Standing rignt in front of the college building in the spacious open grounds, enclosed by the on 16 ft. radius circular Shaheed Park, the Shaheed Bedi is expected not only to perpetuate the sacred memory of the martyrs but also to inspire the coming generations of students of our Alma Mater for selfless service to the people of the state and the Nation.

**The Students' Union and extra-curricular activities :**

This college has a written constitution according to which the Students' Union is formed and its activities are guided, controlled and carried on. The Students' Union